- জ'র্জ এফ. ডব্লিউ. হেগেল হ'ল 'প্রমেয়- বিৰোধাভাস- তাত্ত্বিক দ্বন্দ' ধাৰণাটোৰ জনক।
- ট'মাছ এছ. কুনৰ গ্রন্থ 'The Structure of Scientific Revolutions' ১৯৬২ চনত প্রকাশিত হৈছিল।
- কার্ল প'পাৰে প্রভাৱশালী আর্হিৰ ধাৰণাটো প্রত্যাহ্বান জনাই যুক্তি দর্শইছিল যে ধাৰণাৰ জগতত কোনো সমালোচনাৰ উর্দ্ধৰ ধাৰণা অথবা প্রভাৱশালী আর্হি নাই।
- কিছুমান ঘটনা কিয় আৰু কেনেকৈ ঘটে তত্ত্বই সেই কথা ব্যাখ্যা কৰে।
- তত্ত্বই গৱেষকক বিভিন্ন বস্তু/কথা শিতানভুক্ত কৰাত সহায় কৰে। যেনে- উপাদান, প্রক্রিয়া আৰু অনানুষ্ঠানিক সম্পর্ক।
- ইতিমধ্যে নিৰীক্ষণ কৰা নিয়মানিষ্ঠ বৈশিষ্ট্যবোৰ কেনেদৰে আৰু কিয় পুনৰ সংঘটিত হৈ থাকে তত্ত্বই সেয়া গৱেষকক বুজাতে সহায় কৰে।
- তত্ত্বই এতিয়ালৈকে নিৰীক্ষণ নকৰা পৰিঘটনাৰ বিষয়ে ভৱিষ্যৎবাণী কৰাত গৱেষকক সহায় কৰে।
- তত্ত্বই গৱেষকক উপযোগী আৰু শুদ্ধ দিশেৰে আগবঢ়াৰ দিক্ নির্দেশনা দিয়ে।
- তত্ত্বই পৰৱর্তী কার্যৰ আধাৰ হিচাপে কাম কৰে।
- তত্ত্বৰ আপেক্ষিকভাৱে কম সংখ্যক সংজ্ঞা / অভিধা আৰু বিবৃতিৰে কোনো কথাৰ ব্যাখ্যা আগবঢ়াব পৰা বৈশিষ্ট্যটোক পৰিমিততা বোলে।
- তত্ত্ব বিকাশৰ প্রক্রিয়াটোৱে কেৱল সত্যৰ সন্নিকট অৱস্থা এটা লাভ কৰে। কিন্তু কোনো তত্ত্বই কোনোদিনে সম্পূর্ণ সত্য নহয়।



১.৯ অধিক জানিবলৈ

১) Giddens, Anthony, *Social Theory and Modern Sociology*, Cambridge, Polity Press, 1987.

২) Kuhn, S Thomas, *The Structure of Scientific Revolutions,* USA, University of Chicago Press, 1962.

৩) Raymond, Aaron, *Main Currents in Sociological Thought*, Hamondsworth, Penguin, 1965.

১.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কোনোটো অধ্যয়নৰ বিষয় বিজ্ঞানসন্মত হয়নে নহয় সেয়া গৱেষণাপ্রণালীবিদ্যাই নির্ধাৰণ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ 'নৱম বিজ্ঞান' বুজাবলৈ ব্যৱহাৰ কৰা আন অভিধাটো হ'ল 'সমাজ বিজ্ঞান'।